দৈনিক অগ্ৰদূত

যোৰহাট বৃহস্পতিবাৰ ১০ জেঠ ১৪২৪ ভাস্কৰাব্দ ২৫ মে' ২০১৭

প্ৰত্যাহ্বানৰ এবছৰ

অসমত বিজেপিৰ মিত্ৰজোঁট চৰকাৰ গঠনৰ এবছৰ সম্পূৰ্ণ হ'ল। এটা বছৰ অৰ্থাৎ ৩৬৫ দিন অতি কম সময়ো নহয়। অৱশ্যে সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনৰ সফলতা-বিফলতাৰ খতিয়ান লোৱাৰ বাবে এটা বছৰ যথেষ্ট বুলি ক'ব নোৱাৰি। অৱশ্যে বিজেপিৰ চৰকাৰখনৰ ওপৰত অসমৰ ৰাইজৰ প্ৰত্যাশা আছিল বহু বেছি। দুৰ্নীতি-ভ্ৰষ্টাচাৰ শেষ হ'ব, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য হ্ৰাস পাব, অসমৰ পৰা অবৈধ অনুপ্ৰৱেশকাৰী বহিষ্কৃত হ'ব, অসম চুক্তি সম্পূৰ্ণৰূপে ৰূপায়ণ হ'ব, নিবনুৱাসকলে নিযুক্তি পাব, বান-খহনীয়াৰ সমস্যাৰ পৰা নৈপৰীয়া ৰাইজে সকাহ পাব আদি বহু আশা কৰি বিজেপিক ভোট দিছিল ৰাইজে। বহু প্ৰত্যাশাৰ বাবে কিন্তু অসমৰ ৰাইজক দায়ী কৰিব নোৱাৰি। বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰত তথা 'ভিজন ডকুমেন্ট'ত এইবিলাক প্ৰতিশ্ৰুতি আছিল। আনকি নিৰ্বাচনী প্ৰচাৰ সভাবিলাকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফলাফল ঘোষণাৰ পাছতে বাংলাদেশী অনুপ্ৰৱেশকাৰীসকল টালি-টোপোলা লৈ অসম এৰিব লাগিব বুলি ঘোষণা কৰিছিল। প্ৰধানমন্ত্ৰীৰ এনে প্ৰতিশ্ৰুতি পাই অসমৰ ৰাইজৰ প্ৰত্যাশা বেছি হোৱাই স্বাভাৱিক। লোকসভা নিৰ্বাচনৰ প্ৰচাৰ সভাত তদানীন্তন বিজেপি সভাপতি ৰাজনাথ সিঙেও বৃহৎ নদীবান্ধ বিৰোধী আন্দোলনৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল আৰু বৃহৎ নদীবান্ধ নালাগে, ক্ষুদ্ৰ নদীবান্ধ লাগে বুলি ঘোষণা কৰিছিল। বান-খহনীয়া সমস্যা, উদ্যোগ স্থাপন, নিবনুৱা সমস্যা সমাধান আৰু বিশেষকৈ অসম চুক্তি ৰূপায়ণৰ প্ৰতিশ্ৰুতিবিলাকে অসমৰ ৰাইজক বিজেপিৰ প্ৰতি সমৰ্থন আৰু আগ্ৰহ অভূতপূৰ্বভাৱে বঢ়াই তুলিছিল। বিজয়ী হৈ চৰকাৰ গঠন কৰিলে যদিও মিত্ৰজোঁটৰ সমৰ্থনৰো প্ৰয়োজন হ'ল। সি যি কি নহওক, বিজেপি নেতৃত্বাধীন চৰকাৰখনে কিন্তু চৰকাৰ গঠনৰ প্ৰথম দিনটোৰ পৰাই বহি থকা নাই। প্ৰতিশ্ৰুতিমতেই কাম কৰাৰ আগ্ৰহো দেখুৱাইছে। সোণোৱাল চৰকাৰে সুশাসনৰ প্ৰতিশ্ৰুতি দি আহিছে। সেয়ে দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে অভিযানে বিশেষ গুৰুত্ব লাভ কৰিছে। সমাজ কল্যাণ, জলসিঞ্চন, বন বিভাগ, তথ্য আৰু জনসংযোগ আদি বিভাগত দুৰ্নীতিত লিপ্ত বিষয়া-কৰ্মচাৰীসকলক গ্ৰেপ্তাৰ কৰা আৰু কাৰাগাৰলৈ নিক্ষেপ কৰা ঘটনা অসমৰ ৰাজনৈতিক ইতিহাসত বিৰল। বিশেষকৈ অসম লোকসেৱা আয়োগৰ অধ্যক্ষ তথা অনান্য বিষয়াবৰ্গক দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ অভিযোগত গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰা— দুৰ্নীতিবিৰোধী অভিযানত উল্লেখযোগ্য পদক্ষেপ বুলি ক'ব পাৰি। এনে ধৰণৰ দুৰ্নীতিবিৰোধী অভিযান পূৰ্বৰ চৰকাৰৰ দিনত সম্ভৱ নাছিল। মুখ্যমন্ত্ৰীয়ে দুৰ্নীতিৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি দোহাৰি দুৰ্নীতিত লিপ্ত সকলোকে সকীয়াই দিছে। চৰকাৰৰ দুৰ্নীতিবিৰোধী অভিযানত সাধাৰণ ৰাইজেও সহযোগিতা-সমৰ্থন আগবঢ়াইছে। অৱশ্যে লোক আয়ুক্তৰ দৰে উচ্চ ক্ষমতাসম্পন্ন আয়োগ গঠন নোহোৱাত ৰাজনৈতিক নেতা-মন্ত্ৰীসকল সাৰি যোৱাৰ সুৰঙা উলিয়াই ৰাখিছে চৰকাৰে। মন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ থাকিলেও তদন্তৰ পৰা সাৰি যাব পাৰিছে। তদুপৰি তদন্তবোৰৰ কিদৰে সামৰণি পেলোৱা হয় তালৈকে অসমবাসীয়ে দৃষ্টি ৰাখিছে। প্ৰকৃত দোষীসকলে শাস্তি ভোগ কৰিবনে? তালৈ সকলোৱে আগ্ৰহেৰে বাট চাইছে। আনহাতে, সুশাসনৰ বাবে সকলো বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত যি কৰ্মসংস্কৃতিৰ প্ৰয়োজন, সেয়া কিন্তু কংগ্ৰেছ চৰকাৰ যোৱাৰ পাছতো আৰম্ভ হোৱা নাই। বিষয়া-কৰ্মচাৰীসকলৰ অনুপস্থিতি নাইবা বহু পলমকৈ কাৰ্যালয়ত উপস্থিত হোৱাৰ কু-পৰম্পৰা জিলাসমূহৰ চৰকাৰী কাৰ্যালয়বিলাকত চলি থাকিল। পৰিৱৰ্তনৰ শ্ল'গান দিও চৰকাৰে এই ক্ষেত্ৰত পৰিৱৰ্তন আনিব পৰা নাই। অসমৰ ২২ লাখ নিবনুৱাৰ বাবে চাকৰি বা কৰ্মসংস্থাপন সৃষ্টি কৰাটো সহজ-সাধ্য নহয়। বিনিয়োগকাৰীৰ আগমন আৰু চৰকাৰী খণ্ডত বিনিয়োগ নহ'লে কৰ্মসংস্থান সৃষ্টিৰ সম্ভাৱনা তেনেই ক্ষীণ। উদ্যোগ তথা প্ৰযুক্তিৰ ক্ষেত্ৰত বিনিয়োগ দেখাই নাযায়। আনকি পূৰ্বণি উদ্যোগবিলাক বন্ধ হৈ আছে। এনেদৰে ৰাজ্যত কিমানটা উদ্যোগ বন্ধ হৈছে, তাৰ সঠিক তথ্য প্ৰকাশ পোৱা নাই। অৱশ্যে পূৰ্বৰ চৰকাৰৰ দিনতে আৰম্ভ হোৱা কিছুমান উদ্যোগৰ নিৰ্মাণ সম্পূৰ্ণ কৰিছে বিজেপি চৰকাৰে। চৰকাৰে চেষ্টা অব্যাহত ৰাখিছে যদিও পৰ্যটন উদ্যোগৰ ক্ষেত্ৰত পৰিৱৰ্তন পৰিলক্ষিত হোৱা নাই।

চৰকাৰে উচ্চ শিক্ষানুষ্ঠানতো স্নাতকোত্তৰ পৰ্যায়লৈকে আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ নামভৰ্তি বিনামূলীয়া কৰাৰ কথা ঘোষণা কৰিছে। এনে আঁচনি প্ৰশংসনীয় যদিও অসমৰ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ত বা বিভাগত উচ্চ শিক্ষা লাভৰ বাবে ৰাজ্যৰ বাহিৰলৈ যাবলৈ বাধ্য হৈছে অসমত বিজ্ঞান-প্ৰযুক্তি, বৃত্তিগত শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠানৰ অভাৱৰ বাবে। ফেছন টেক্‌ন'লজিৰ পৰা হোটেল ব্যৱসায়লৈকে যিকোনো বিষয়ত উচ্চ শিক্ষাৰ বাবে মাটি-বাৰী বন্ধকত থৈ অসমৰ যুৱক-যুৱতীসকল বহিঃৰাজ্যলৈ যাবলগীয়া হয়। উচ্চ শিক্ষাখণ্ডৰ বিকাশৰ ক্ষেত্ৰত বিজেপি চৰকাৰে বিশেষ তৎপৰতা দেখুওৱা নাই। ১১৫ বছৰ অতিক্ৰম কৰা অসমৰ উৎকৰ্ষতাৰ কেন্দ্ৰ তথা ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়ত আজিও পুৰণি বিষয় বা বিভাগকেইটাকেই গতানুগতিকভাৱে শিক্ষা প্ৰদান কৰি থকা হৈছে। উচ্চ শিক্ষাত দীৰ্ঘকাল ধৰি স্থবিৰতা বিৰাজমান। উচ্চ শিক্ষাৰ বিকাশ নহ'লে অসমৰ বিকাশ কেনেকৈ সম্ভৱ হ'ব? আনহাতে, স্বাস্থ্য তথা চিকিৎসাসেৱাৰ ক্ষেত্ৰত বিজেপি চৰকাৰে যোৱা এবছৰত গুৰুত্ব দিছে আৰু এইমূহ স্থাপনৰ প্ৰকল্প হাতত লৈছে; কিন্তু চিকিৎসা মহাবিদ্যালয় বাঢ়িছে যদিও বহু বিভাগৰ চিকিৎসা সুবিধা এইবিলাকত নাই। সোণোৱাল চৰকাৰৰ সন্মুখত আন এটা ডাঙৰ প্ৰত্যাহ্বান হ'ল অসম চুক্তি ৰূপায়ণ আৰু এন আৰ চি সম্পূৰ্ণ কৰা। চৰকাৰে এই দুয়োটা বিষয়কে গুৰুত্ব সহকাৰে লোৱা বুলি কৈছে। চৰকাৰে অসম চুক্তিৰ গুৰুত্বপূৰ্ণ ষষ্ঠ দফা ৰূপায়ণৰ বাবে কেন্দ্ৰ, ৰাজ্য আৰু আছুৰ সদস্যক লৈ এখন উপসমিতি গঠন কৰি দিছে। অসমীয়া তথা খিলঞ্জীয়া জনগোষ্ঠীবিলাকক সাংবিধানিক সুৰক্ষা প্ৰদান কৰিব নোৱাৰিলে অসমলৈ অন্ধকাৰ নামি আহিব বুলি গভীৰ আশংকাৰ সৃষ্টি হৈছে। বিজেপি নেতৃত্বাধীন চৰকাৰৰ বাবে আগন্তুক বছৰবিলাকত এয়া হ'ব এক বৃহৎ প্ৰত্যাহ্বান।

খো লা ম ঞ্চ

অসমৰ সবাতোকৈ গুৰুতৰ সমস্যা কি?

মহেন্দ্ৰ বৰা, লেখক

অসমৰ সবাতোকৈ গুৰুতৰ সমস্যাটো হ'ল তন্ত্ৰধাৰকৰ ধাৰণা। গণতন্ত্ৰধাৰক, ধৰ্মতন্ত্ৰধাৰক, সমাজতন্ত্ৰধাৰক আন্দোলন তথা বন্ধতন্ত্ৰধাৰক। এই ধাৰক বা নেতাসকলে অদৃশ্যজনৰ ওচৰত (কোনোজনে কাল্পনিক মূৰ্তিৰ কাষত) পূজা-পাৰ্বণ কৰি জনসাধাৰণৰ দায়িত্ব নিৰঞ্জন-নিৰাকাৰ-নিৰাময় হৰি (ঈশ্বৰ)ৰ ওপৰত অৰ্পণ কৰি নিজৰ স্বাৰ্থ পূৰণৰ লক্ষ্যত আগবাঢ়ে। সকলো নহ'লে সিংহভাগ নেতৃত্বই জনতাক সপোনত ৰাখি নিজৰ উদ্দেশ্যত আগবাঢ়ে। জনসাধাৰণৰ অভাৱ, অভাৱ হৈয়ে থাকে। নেতাৰ নাম বুৰঞ্জীৰ পাতত খোদিত হয়।

ৰ'দ, বৰষুণ, হাড় কঁপা শীতলৈ পিঠি দি পেটত গামোচা বান্ধি কপালৰ ঘাম মাটিত পেলাই খেতিয়কে খেতি কৰে আৰু গণতন্ত্ৰৰ নেতাই গণতান্ত্ৰিক নীতিৰ দোহাই দি খেতিয়কৰ পৰা কম মূল্যত শস্য কিনে। ৰাইজৰ ধনেৰে দৰমহা লোৱা নেতা আৰু কৰ্মচাৰীয়ে পাহৰি যায় গণতন্ত্ৰৰ কথা। জনতাই এই কথাও বুজি পাই যে চৰকাৰৰ হাতত কোনো যাদু নাই যে ছমাহ-বছৰেকতে সকলো সমস্যা দূৰ কৰিব পাৰে। কিন্তু দেৰিকৈ হ'লেও সমস্যা পূৰণৰ আশা ৰাখে।

অসমত গণতন্ত্ৰৰ নামত 'আহিল কণা, গ'ল কণা/খাগৰী কাটিলে তিনি কণা' চেতনাহীন হোৱা পদবীৰ সমস্যাটো অসমৰ সবাতোকৈ গুৰুতৰ সমস্যা

কিন্তু ২০১৩ত নগাঁও জিলাৰ ৰাইদঙীয়া সমবায় সমিতিৰ কেলেংকাৰিৰ এশ কুইন্টল চাউল ২০১৫ত গুদাম ছীল কৰি নাকত তেল দি শুই থাকি ২০১৭ত গুদামৰ পৰা অহা পচা (গেলা) চাউলৰ গোন্ধত সাৰ পাই গাঁত খান্দি পুতি থ'লে। জনতাৰ কষ্ট আৰু অৰ্থ হানি হ'ল। সেই একেই অৱস্থা দেখা যায় আন্দোলন আৰু ধৰ্মৰ কাণ্ডাৰীৰ মাজতো। ই মাত্ৰ এটা উদাহৰণহে।

গতিকে মই ভাবো অসমত গণতন্ত্ৰৰ নামত 'আহিল কণা, গ'ল কণা/খাগৰী কাটিলে তিনি কণা' চেতনাহীন হোৱা পদবীৰ সমস্যাটো অসমৰ সবাতোকৈ গুৰুতৰ সমস্যা।

ফোন ঃ ৯৮৫৪১৯১৪৯৭

১০-১২ খন চৰকাৰৰ কাৰ্যকালতো প্ৰকল্প সম্পূৰ্ণ নহয় কিয়?

জলসিঞ্চন বিভাগটো কৃষকৰ বাবে নে এচাম ঠিকাদাৰ-বিষয়াৰ বাবে?

মুখ্যমন্ত্ৰী, জলসিঞ্চন মন্ত্ৰীয়ে যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰক

দৃষ্টিপাত

অদীপ কুমাৰ ফুকন

মুকলি প্ৰশ্নটো হ'ল কাৰ বাবে আৰম্ভ কৰা হৈছিল ৰাজ্যৰ জলসিঞ্চন বিভাগটো? অসমৰ জলসিঞ্চন প্ৰকল্পসমূহ ৰাজ্যখনৰ কৃষকসকলৰ স্বাৰ্থত কৰা হয় নে এচাম ঠিকাদাৰ আৰু এচাম বিভাগীয় বিষয়াৰ স্বাৰ্থত? প্ৰকল্প তথা আঁচনিসমূহৰ গতি-প্ৰকৃতিলৈ লক্ষ্য কৰিলে স্পষ্ট হৈ পৰে যে এই প্ৰকল্পসমূহ কৃষকক সহায় কৰাৰ বিপৰীতে এচাম ঠিকাদাৰক সহায় কৰাৰ লক্ষ্যৰেহে আৰম্ভ হয়। জলসিঞ্চন বিভাগৰ বিষয়াসকলে প্ৰকল্পসমূহ আৰম্ভ কৰে, কিন্তু প্ৰকল্পটো কিমান বছৰৰ পাছত সম্পূৰ্ণ কৰিব সেইটো তেওঁলোকৰ ব্যক্তিগত পৰিকল্পনাৰ ওপৰত নিৰ্ভৰ কৰে। ৰাজ্যখনৰ একমাত্ৰ জলসিঞ্চনৰ প্ৰকল্পসমূহ সম্পূৰ্ণ হওঁতে সকলো বিভাগৰ আঁচনিতকৈ অধিক সময় লয়। এখন আঁচনি কিমানদিনলৈ অসম্পূৰ্ণ কৰি ৰাখিব পৰা যায়, তাৰ যেন এক অঘোষিত প্ৰতিযোগিতাহে চলায় বিভাগীয় বিষয়াসকলে। এখন চৰকাৰৰ কাৰ্যকালৰ অৰ্থাৎ পাঁচ বছৰত জলসিঞ্চনৰ আঁচনিৰ কাম সম্পূৰ্ণ কৰা নহয়। এখন-দুখন নহয়, ছয়-সাতখন চৰকাৰে কাৰ্যকাল সম্পূৰ্ণ কৰাৰ পাছতো অসমৰ জলসিঞ্চনৰ আঁচনিসমূহ সম্পূৰ্ণ নহয়, কাৰ্যক্ষম নহয়। কিয়? ইয়াৰ কেৰোণটো ক'ত? ৰাজ্যখনলৈ পৰিৱৰ্তন আনিব বিচৰা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু জলসিঞ্চন মন্ত্ৰী ৰঞ্জিত দত্তই এই কেৰোণসমূহ উলিয়াই অনাৰ চেষ্টা কৰক। কেৰোণসমূহ চিনাক্ত কৰাৰ সময় হৈছে। অসমৰ জলসিঞ্চনৰ অৱস্থা অতি শোচনীয়। বিভাগীয় মন্ত্ৰীগৰাকীয়ে কোনো শক্তিৰ লগত আপোচ নকৰি কৃষকৰ পক্ষত থিয় হওক। বছৰৰ পাছত বছৰ ধৰি অসম্পূৰ্ণ হৈ থকা আঁচনিসমূহ পলম হোৱাৰ কাৰণসমূহ উদ্‌ঘাটন কৰাৰ প্ৰয়োজন হৈছে। অসম জলসিঞ্চন বিভাগটো কৃষকৰ বাবে এক প্ৰহসনত পৰিণত হৈছে আৰু ঠিকাদাৰসকলৰ বাবে টকা ছপা কৰাৰ মেচিন হৈ পৰিছে।

কৃষকসকলে অতি আশাৰে খেতিপথাৰত নামে। চৰকাৰে পানী যোগানৰ প্ৰতিশ্ৰুতি দিয়ে। আঁচনিৰ কাম আৰম্ভ হয়। বছৰৰ পাছত বছৰ পাৰ হয়, ইখন চৰকাৰৰ পাছত সিখন চৰকাৰ আহে। আঁচনি সম্পূৰ্ণ নহয়। পথাৰত পানী নপৰে। অসম্পূৰ্ণ জলসিঞ্চন প্ৰকল্পসমূহ চাই অসহায় হৈ পৰে অসমৰ কৃষক। অসমত ছটা বৃহৎ জলসিঞ্চন প্ৰকল্প, তাৰে পাঁচটা বিকল। ১৪টা মজলীয়া প্ৰকল্পৰ ১২টা বিকল। ৫৬ হেজাৰ ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ অধিকাংশই বিকল। এই প্ৰকল্পসমূহ বিকল হৈ থকাৰ বাবে দায়ী কৃষকসকল নে এচাম ঠিকাদাৰ আৰু এচাম বিষয়া দায়ী? ৰাজ্যখনৰ জলসিঞ্চন বিভাগত ১৮টা কাৰিকৰী, সাতটা বৈদ্যুতিক, ৪২টা সাধাৰণ সংমণ্ডলসহ মুঠ ৬৭টা সংমণ্ডল আছে। ইয়াৰ লগতে চক্ৰ, মাণ্ডলিক, মুখ্য কাৰ্যালয়ত অভিজ্ঞ বিষয়া-কৰ্মচাৰী, অভিযন্তাসকল আছে। ইমান বৃহৎ পৰিয়াল এটা থকাৰ পাছতো অসমৰ জলসিঞ্চনৰ অৱস্থা শোচনীয় হৈ থকাৰ কাৰণটো কি?

মুখ্যমন্ত্ৰী আৰু জলসিঞ্চন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি দুটামান বিষয় আমি উত্থাপন কৰিব বিচাৰো— ১৯৭৫ত ওদালগুৰিৰ ভৈৰবকুণ্ড অঞ্চলত ধনশ্ৰী নদীৰ ওপৰত ১৫ কোটি ৮৩ লাখ টকাৰ আঁচনিৰে আৰম্ভ কৰা হয় ধনশ্ৰী জলসিঞ্চন প্ৰকল্প। শৰৎ চন্দ্ৰ সিংহ চৰকাৰ, গোলাপ বৰবৰা চৰকাৰ, যোগেন্দ্ৰ নাথ হাজৰিকাৰ চৰকাৰ, আনোৱাৰা টাইমূৰৰ চৰকাৰ, কেশৱ গগৈ চৰকাৰ, হিতেশ্বৰ শইকীয়া চৰকাৰৰ দুটা কাৰ্যকাল, প্ৰফুল্ল কুমাৰ মহন্ত চৰকাৰৰ দুটা কাৰ্যকাল আৰু তৰুণ গগৈ চৰকাৰৰ তিনিটা কাৰ্যকাল সম্পূৰ্ণ হ'ল, ধনশ্ৰী জলসিঞ্চন প্ৰকল্প কিন্তু কাৰ্যক্ষম নহ'ল। ১৫.৮৩ কোটি টকাৰ প্ৰকল্প আজি ৪৯৬.৮৯ কোটি টকালৈ বৃদ্ধি হ'ল, ৪৮১.০৬ কোটি অতিৰিক্ত ধন ঠিকাদাৰৰ পকেটলৈ গ'ল। খেতিৰ বাবে পানীৰ আশাত কৃষক পাৰ কৰিলে ৪২টা বছৰ। একে গতিৰে আগবাঢ়িল ১৯৭৯ত ১.১৩ কোটিৰ বুটীদিহিং জলসিঞ্চন প্ৰকল্প। ৩৭ বছৰ আৰু ১২ খন চৰকাৰৰ কাৰ্যকাল পাৰ হ'ল। ১.১৩ কোটিৰ আঁচনি ব্যয় ২৩.৪৬ কোটিলৈ বৃদ্ধি হ'ল। কৃষকসকলে অপেক্ষা কৰি থাকিব লগা হ'ল। ১৯৮০ত আৰম্ভ কৰিলে বৰলিয়া জলসিঞ্চন প্ৰকল্প। ৩৭ বছৰ অতিক্ৰম কৰিলে, ৬.৭৭ কোটি টকাৰ আঁচনি ১৩৫.৪৩ কোটিলৈ বৃদ্ধি পালে। প্ৰকল্প কিন্তু সম্পূৰ্ণ নহ'ল। একেদৰে ১৯৮০ত আৰম্ভ কৰা হ'ল চম্পাৱতী জলসিঞ্চন প্ৰকল্প, ৩৭টা বছৰত ১৫.৩২ কোটি টকাৰ প্ৰকল্প ৩০৯.২২ কোটি টকালৈ বৃদ্ধি কৰা হ'ল প্ৰকল্পৰ ব্যয়। কৃষকে খেতিপথাৰত পানী পাবলৈ যদি ৩০-৪০ বছৰ অপেক্ষা কৰিব লগা হয়, সেই অঞ্চলত কৃষিৰ বিকাশ সম্ভৱনে? আমি উল্লেখ কৰা চাৰিখন বৃহৎ জলসিঞ্চন প্ৰকল্পই নহয়, প্ৰতিখন মজলীয়া বা সৰু প্ৰকল্পৰ ক্ষেত্ৰত একেই চৰিত্ৰ দেখা যায়। প্ৰকল্পসমূহত ধাৰ্য কৰা বাজেটতকৈ শেষ পৰ্যায়লৈ বহুগুণে বেছি টকা ধাৰ্য কৰিব লগা হয়। নিৰ্ধাৰিত সময়তকৈ যথেষ্ট পলম হয় সম্পূৰ্ণ হ'বলৈ। ফলত কৃষকসকল হতাশ হয়, প্ৰকল্পৰ মূল উদ্দেশ্য কাৰ্যকৰী নহয়, ৰাজহুৱা ধনৰ অত্যধিক খৰচ হয় আৰু এটা সময়ত পানীৰ অৱস্থিতিৰ পৰিৱৰ্তন হয়। ফলত আঁচনিসমূহ বিকল হয়। লাভ কাৰ হয়? জলসিঞ্চন মন্ত্ৰী ৰঞ্জিত দত্তলৈ আমাৰ আবেদন— এনে অৱস্থাৰ কাৰণসমূহ অনুসন্ধান কৰক। ঠিকাদাৰৰ স্বাৰ্থত আঁচনি নহয়, কৃষকৰ স্বাৰ্থত আঁচনি গ্ৰহণ কৰক। প্ৰয়োজন হ'লে আঁচনি পৰিৱৰ্তন কৰক। কম সময়তে কৃষকে খেতিপথাৰত পানী পাব পৰা আঁচনি ৰূপায়ণ কৰক। এচাম ঠিকাদাৰ, এচাম বিভাগীয় বিষয়াৰ পৰা বাধা পাব, কিন্তু আপোচ নকৰিব। আপোচ যদি কৰে কৃষকৰ স্বাৰ্থত আপোচ কৰক।

পূৰ্বৰে পৰা একে গতিৰেই চলি আহিছে অসমৰ জলসিঞ্চন প্ৰকল্পসমূহৰ কাম। ১৯৬২ত ৬৭ লাখ টকাৰে সম্পূৰ্ণ কৰা লক্ষ্যৰে আৰম্ভ কৰা কাম সম্পূৰ্ণ হ'বলৈ ১৬ বছৰ লাগিল, আঁচনিৰ খৰচৰ পৰিমাণ ৬৭ লাখৰ পৰা চাৰি কোটি ৯০ লাখলৈ বৃদ্ধি পালে। আঁচনিসমূহ কাৰ্যক্ষম কৰিবলৈ ১৬ বছৰৰ পৰা ৩০ বছৰ লাগে কিয়? নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰকল্পসমূহৰ কাম সম্পূৰ্ণ কৰিব পাৰিলে কৃষকে সময়মতে পথাৰত পানী পাব আৰু বৃহৎ অংকৰ অতিৰিক্ত ব্যয় নহ'ব। সৰু সৰু প্ৰকল্পৰে কম সময়তে সম্পূৰ্ণ কৰিব পৰা এখন এখন পথাৰতে পানী দিব পৰা আঁচনিৰ প্ৰয়োজন আছে। নিৰ্দিষ্ট পথাৰতে মাটিৰ তলৰ পৰা পানী উলিয়াই খেতি পথাৰত দিলে নিশ্চয় পানী পোৱাত সহজ হ'ব আৰু এটা সময়ত পথাৰৰ পৰা পানী আকৌ মাটিৰ তললৈ সোমাই সংৰক্ষিত হ'ব। এই ক্ষেত্ৰত সৌৰশক্তিকো ব্যৱহাৰ কৰিব পৰা যাব। জলসিঞ্চনৰ বাবে খেতিপথাৰত ডাঙৰ ডাঙৰ নলা খান্দি খেতি-মাটি নষ্ট কৰাতকৈ পথাৰৰ মাটিৰ তলেৰে পাইপ বহুৱাই পানী দিয়াৰ ব্যৱস্থা কৰিলে নিশ্চয় খেতি-মাটি বাচিব আৰু সময়ো কম লাগিব। কাৰণ জলসিঞ্চন প্ৰকল্পসমূহ সম্পূৰ্ণ হোৱাত কিয় পলম হয় বুলি প্ৰশ্ন কৰিলে পানী যোৱাৰ বাবে নলাৰ মাটিৰ বাবে যথেষ্ট সময় লাগে বুলি অভিযোগ পোৱা যায়। ৰাজহ বিভাগে কৃষকক মাটিৰ মূল্য দিয়াত পলম কৰে বা অসুবিধা দিয়ে বাবে প্ৰকল্পৰ কাম সময়মতে নহয় বুলি মতপ্ৰকাশ কৰা পৰিলক্ষিত হয়। এই ব্যৱস্থাৰ পৰিৱৰ্তনৰ প্ৰয়োজন। জলসিঞ্চন প্ৰকল্পসমূহ সম্পূৰ্ণ কৰাত থকা বাধাসমূহ আঁতৰ কৰা প্ৰয়োজন। পঞ্জাৱত ৯৮ শতাংশ, বিহাৰত ৭০ শতাংশ, অন্ধ্ৰপ্ৰদেশত ৬০ শতাংশ, তামিলনাডুত ৬৮ শতাংশ, উত্তৰপ্ৰদেশত ৮৬ শতাংশ, গুজৰাটত ৭০ শতাংশ খেতি-মাটিত যদি জলসিঞ্চন ব্যৱস্থা হ'ব পাৰে, অসমত মাত্ৰ পাঁচ শতাংশ কিয়? বিধানসভাৰ এক তথ্য মতে অসমত ৪১.৭৮ লাখ হেক্টৰ কৃষি ভূমি আছে। তাৰে জলসিঞ্চনে সামৰি লৈছে মাত্ৰ ৭,৫৭,৭১০ হেক্টৰ। এই তথ্য কিমান শুদ্ধ তাত সন্দেহ নথকা নহয়।

ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু জলসিঞ্চন মন্ত্ৰীলৈ আমাৰ আবেদন— অসমৰ জলসিঞ্চনৰ ক্ষেত্ৰখনে এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰক। কেলেংকাৰি আৰু ব্যৰ্থতাৰ স্বাক্ষৰ বহন কৰা এই বিভাগটোত সঁচাৰ্থত পৰিৱৰ্তন কৰক। অভিজ্ঞ দুষ্ট চক্ৰসমূহৰ ওচৰত আপোচ নকৰিব। কৃষি মন্ত্ৰণালয়ৰ তথ্যমতে দুহেজাৰ বৰ্ষৰ পৰা পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰে অসমক প্ৰদান কৰিছিল ২.৬১২,৭৯ কোটি টকা। একাদশ বিত্ত আয়োগৰ অধীনত ৪২০.০৭ কোটি টকা, দ্বাদশ বিত্ত আয়োগৰ অধীনত ৯৪৮.৯২ কোটি টকা, ত্ৰয়োদশ বিত্ত আয়োগৰ অধীনত ১২৪৩.৮০ কোটি টকা। ৰাজ্যৰ বাজেটত প্ৰতি বছৰে ধাৰ্য কৰা হয় বৃহৎ অংকৰ টকা, ২০০০-০১ বৰ্ষৰ পৰা ১২ বছৰত জলসিঞ্চন বিভাগে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ পৰা লাভ কৰিছিল ১৫,০০০ কোটি টকা। এন এল চি পি আৰ, কেন্দ্ৰীয় চৰকাৰৰ দ্ৰুত উন্নয়ন আঁচনিৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত প্ৰতি বছৰে অসমে লাভ কৰি আহিছে হেজাৰ হেজাৰ কোটি টকা। এই কোটিৰ অংকৰ টকাবিলাক ক'ত গ'ল? কৃষকৰ হাতলৈ যিহেতু যোৱা নাই, এচাম ঠিকাদাৰ আৰু এচাম বিষয়াৰ হাতলৈয়ে নিশ্চয় যাব লাগিব। আমাৰ সন্দেহ অমূলক হ'লে আমিয়েই আনন্দিত হ'ম।

ফোন ঃ ৯৭০৭০২৪৬১২

কেইটামান জলসিঞ্চন প্ৰকল্পৰ চৰিত্ৰ	আঁচনিৰ বাবে ধন ধাৰ্য	সংশোধিত ধন ধাৰ্য	প্ৰকল্প আৰম্ভ	প্ৰকল্পৰ কাম সম্পূৰ্ণ	সময় লাগিল
শুক্লা প্ৰকল্প	৬৭ লাখ	৪.৯০ কোটি	১৯৬২	১৯৭৮	১৬ বছৰ
বৰডিকৰাই প্ৰকল্প	৩.৫৬ কোটি	৪৯.৯৩ কোটি	১৯৭৫	২০০৫	৩০ বছৰ
কলং-সোনাই প্ৰকল্প	৪.৫৭ কোটি	১৭৯.৮৪ কোটি	১৯৭৫	২০০৫	৩০ বছৰ
পহুমৰা প্ৰকল্প	৪.৯৭ কোটি	৪৯.০৯ কোটি	১৯৭৯	২০০৮	২৯ বছৰ
ৰূপহী প্ৰকল্প	১.৮৩ কোটি	১৮.২৫ কোটি	১৯৭৮	২০০১	২৩ বছৰ
ডেকাদাং প্ৰকল্প	৮৮.৫৬ লাখ	৪.৯০ কোটি	১৯৭৫	১৯৯৪	১৯ বছৰ
কালডিয়া প্ৰকল্প	১.৭৯ কোটি	৮.১১ কোটি	১৯৭৫	২০০৩	২৮ বছৰ
হাৱাইপুৰ প্ৰকল্প	১.৯৮ কোটি	১৪.৯৩ কোটি	১৯৮০	২০০৬	২৬ বছৰ

বিদেশী চিনাক্তকৰণৰ ভিত্তি বছৰ ১৯৫১ নে ১৯৭১ বিতৰ্ক

বিদেশী সমস্যা সমাধানৰ বাস্তৱ দিশ

সোঁতৰ বিপৰীতে চিন্তা

প্ৰবীণ চৌধুৰী

প্ৰায় ৩২ বছৰ ধৰি অসমত সৰ্বাধিকবাৰ উচ্চাৰিত হোৱা শব্দকেইটা বোধহয় 'অসম চুক্তি ৰূপায়ণ'। মেলে-মিটিঙে হওক, প্ৰবন্ধ-পাতিতে হওক, আলোচনা-বিলোচনাতে হওক, অথবা সংবাদ মাধ্যমৰ বাতৰি পৰিবেশনতে হওক— এই শব্দ তিনিটা অজস্ৰবাৰ উচ্চাৰিত আৰু উল্লিখিত হৈছে। অসম চুক্তিৰ অন্যতম স্বাক্ষৰকাৰী সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দৰ বাবে এই তিনিটা শব্দৰ উচ্চাৰণ সন্থাটোৰ অস্তিত্বৰ বাহকস্বৰূপ। আনহাতে চুক্তিখনৰ আন দুটা স্বাক্ষৰকাৰী পক্ষ কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ বাবে অসম চুক্তিখন ভালুকৰ সাঙীস্বৰূপ আৰু ইয়া